# প্ৰেছ বিজ্ঞপ্তি

মেধা আৰু যোগ্যতাৰ ভিত্তিত ৰাজ্যৰ নিবনুৱা যুৱক-যুৱতী সকলে যাতে কৰ্মসংস্থাপনৰ সুযোগ লাভ কৰে তাৰবাবে অসম চৰকাৰে মোৰ ওপৰত ৰাজ্যিক পৰ্যায়ৰ আৰক্ষী নিযুক্তি পৰিষদৰ অধ্যক্ষৰ দায়িত্ব অৰ্পন কৰিছিল। সম্পূৰ্ণ স্বচ্ছতাৰে যাতে নিযুক্তি প্ৰক্ৰিয়া সম্পন্ন হয় তাৰবাবে মই সততা, নিষ্ঠা আৰু দায়বদ্ধতাৰে দায়িত্ব পালন কৰিবলৈ প্ৰচেষ্টা অব্যাহত ৰাখিছিলো। কিন্তু এক দুষ্ট চক্ৰৰ ষড়যন্ত্ৰৰ বাবে শেহতীয়াকৈ অনুষ্ঠিত আৰক্ষী বিভাগৰ উপ-পৰিদৰ্শক পদৰ চাকৰিত বিসংগতি সংঘটিত হ'ল। ইয়াৰ বাবে পৰীক্ষাত অৱতীৰ্ণ হোৱা প্ৰাৰ্থীসকল আশাহত হোৱাৰ লগতে বহু কষ্টৰ সন্মুখীন হ'বলগীয়া হ'ল। মই তাৰবাবে প্ৰাৰ্থীসকলৰ লগতে তেঁওলোকৰ পৰিয়ালৰ ওচৰত ক্ষমা বিচাৰিছো। মোৰ চাকৰি জীৱনৰ সুদীৰ্ঘ কালছোৱাত মই কোনো দিনে এনে ব্যৰ্থতাৰ সন্মুখীন হোৱা নাছিলো। সুচাৰুৰূপে এই পৰীক্ষা অনুষ্ঠিত কৰিবলৈ ব্যৰ্থ হোৱাৰ বাবে নৈতিক দায়িত্ব স্বীকাৰ কৰি মই ৰাজ্যিক পৰ্যায়ৰ আৰক্ষী নিযুক্তি পৰিষদৰ অধ্যক্ষ পদৰ পৰা অব্যাহতি লৈছো।

Pradeep 27/9/2020

(প্ৰদীপ কুমাৰ, অৱসৰপ্ৰাপ্ত আই.পি.এছ)

অধ্যক্ষ

ৰাজ্যিক পৰ্যায়ৰ আৰক্ষী নিযুক্তি পৰিষদ, অসম